# খণ্ড ১

## গোট ১ ঃ মিছনেৰীসকলৰ অৱদান আৰু ‘অৰুনোদই’ৰ ভূমিকা

**গঠন ঃ**

**২.০ উদ্দেশ্য**

**২.১ প্ৰস্তাৱনা**

**২.২ অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান**

**২.৩ ‘অৰুনোদই’ৰ প্ৰকাশ**

**২.৩.১ ‘অৰুনোদই’ৰ ভূমিকা**

**২.৩.২ ‘অৰুনোদই’ৰ লেখকসকল**

**২.৪ সাৰাংশ**

### ২.০ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰি তোমালোকে –

- ঊনৈশ শতিকাৰ প্ৰথম ভাগত আমেৰিকাৰ পৰা অহা খৃষ্টান মিছনেৰীসকলে অসমীয়া ভাষা-সাহিত্যলৈ কোন কোন দিশত অৱদান আগবঢ়াইছে সেইকথা আলোচনা কৰিব পাৰিবা।
- ‘অৰুনোদই‘ বাৰ্তালোচনীৰ প্ৰকাশৰ ক্ষেত্ৰত খৃষ্টিয়ান মিছনেৰীসকলৰ উদ্যোগ আৰু ব্যৱস্থাপনা সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিবা।
- অসমীয়া জাতীয় জীৱনত নতুন ধ্যান-ধাৰণা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ‘অৰুনোদই’ কাকতে লোৱা ভূমিকাৰ বিষয়ে যথাযথ জ্ঞান আহৰণ কৰিব পাৰিবা।
- ‘অৰুনোদই’ৰ জৰিয়তে লেখক ৰূপে প্ৰতিষ্ঠা লাভ কৰা বিদেশী আৰু স্বদেশী খৃষ্টিয়ান আৰু অনা-খৃষ্টিয়ান ব্যক্তিসকলৰ বিষয়ে বিশদভাৱে জানিব পাৰিবা।

ভাষাই নায্য স্থান পোৱাৰ পৰা বঞ্চিত হৈ থাকিল। অৱশেষত নিজৰ ভুলৰ পৰিসমাপ্তি ঘটাই ইংৰাজ চৰকাৰে বঙলা ভাষা আঁতৰাই ১৮৭৩ চনত অসমত অসমীয়া ভাষাৰ নায্য মৰ্যাদা ঘূৰাই দিবলৈ বাধ্য হ'ল। অসমৰ পঢ়াশালি আৰু আদালতত পুনৰ অসমীয়া ভাষাৰ প্ৰচলন হ'ল যদিও জাতিটো ভাষা-সাহিত্যৰ দিশত বহু যোজন পিচ পৰি থাকিল।

১৮২৬ চনত ইংৰাজে শাসন ভাৰ নিজৰ হাতলৈ অনাৰে পৰা ১৮৭৩ চনত অসমীয়া ভাষা পুনৰ প্ৰৱৰ্তনলৈকে প্ৰায় পঞ্চাশ বছৰ কাল ছোৱাত ভাষা-সাহিত্যৰ বিশেষ চৰ্চা হোৱা নাছিল। যিখিনি চৰ্চা হ'ল সেইখিনিয়েই আধুনিকতাৰ বুনিয়াদ গঢ়ি অসমীয়া ভাষা-সাহিত্যক নতুন প্ৰতিষ্ঠা দিলে। বিশেষকৈ ১৮৪৬ চনত 'অৰুনোদই' প্ৰকাশৰ জৰিয়তে মিছনেৰীসকলে অসমৰ বাবে এক মহৎ উপকাৰ সাধন কৰিলে। ১৮৩০ৰ পৰা ১৮৭৩ চনলৈকে এইছোৱা সময়কে অসমীয়া সাহিত্যত 'মিছনেৰী যুগ' বুলি আখ্যা দিয়া হয়।

মিছনেৰী যুগটোক আকৌ দুটা স্তৰত ভাগ কৰা হৈছে।

(১) প্ৰাক্ অৰুণোদয় স্তৰ

(২) অৰুণোদয় স্তৰ

১৮৩০ চনৰ পৰা ১৮৪৬ চনলৈকে 'প্ৰাক্ অৰুণোদয় স্তৰ' আৰু ১৮৪৬ চনৰ পৰা ১৮৭০ চনলৈকে 'অৰুণোদয় স্তৰ'।

প্ৰাক্ অৰুণোদয় স্তৰৰ সাহিত্যসমূহ হ'ল শ্ৰীৰামপুৰ প্ৰেছৰ পৰা প্ৰকাশ পোৱা আত্মাৰাম শৰ্মাৰ বাইবেলৰ অসমীয়া ভাঙনি (২য় সংস্কৰণ, ১৮৩৩ চন), ৰবিন্সন চাহাবৰ 'অসমীয়া ব্যাকৰণ' (১৮৩৯, ইংৰাজীত ৰচিত), কাশীনাথ তামুলী ফুকনৰ 'আসাম বুৰনজি পুথি' (১৮৪৪), শ্ৰীমতী কট্টাৰৰ অসমীয়া শব্দাৱলী আৰু খণ্ড বাক্য (১৮৪০), বিশেশ্বৰ বৈদ্যধিপৰ 'বেলি মাৰৰ বুৰঞ্জী' (১৮৩৩-৩৮), যাদুৰাম ডেকাবৰুৱাৰ 'প্ৰথম অসমীয়া অভিধান' (১৮৩৯) আৰু মণিৰাম বৰ ভাণ্ডাৰ বৰুৱাৰ 'বুৰঞ্জী বিবেক ৰত্ন' (১৮৩৮)ৰ ২য় খণ্ড ইত্যাদি।

**আত্মমূল্যায়ন ১ ঃ**

**অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ মুখ্য অৱদান কি আছিল ?**

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

**২.৩.১ 'অৰুনোদই'ৰ অৱদান ঃ**

- অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত 'অৰুনোদই'ৰ এক সন্মানীয় স্থান আছে।
- এই কাকতে আত্মবিস্মৃত অসমীয়া মানুহখিনিক দেশ-বিদেশৰ জ্ঞান-ভাণ্ডাৰৰ সং দেৰে বাহিৰৰ জগতখনৰ লগত পৰিচয় কৰাই দিলে।
- পাশ্চাত্য ধ্যান-ধাৰণাৰ সুবাসেৰে ই অসমীয়া মানসত আধুনিকতা প্ৰতিষ্ঠা কৰাত বৰঙণি যোগালে।
- পঢ়াশালি আৰু আদালতত চলা বঙলা ভাষাৰ বিৰোধিতা কৰি অসমীয়া ভাষাই নায্য প্ৰাপ্য ঘূৰাই পোৱাত সহায় কৰিলে।
- এই কাকতেই আনন্দৰাম ঢেকীয়াল ফুকন, নিধি লিবাই ফাৰোৱেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিক সাহিত্য বিষয়ত দীক্ষিত কৰি সাহিত্য সৃষ্টিৰ প্ৰেৰণা যোগায়।
- আলোচনী আৰু বাতৰি কাকত অসমীয়া ভাষাত প্ৰৱৰ্তন কৰি সাহিত্য-সাংবাদিকতাৰ সূচনা কৰাৰ লগতে অসমীয়া সমাজত এই উদ্যোগক লৈ ব্যৱসায়িক আদৰ্শ প্ৰতিষ্ঠা কৰে।
- 'অৰুণোদই'ৰ আদৰ্শত পৰৱৰ্তী কালত 'আসাম বিলাসিনী' (১৮৭১–৮৩), 'আসাম মিহিৰ' (১৮৭২–৭৩), 'আসাম দৰ্পণ' (১৮৭৪–৭৫) আদি আলোচনীৰ প্ৰকাশে অসমীয়া ভাষা-সাহিত্যৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগায়।
- অৰুণোদয়ে হাবি কাটি বাট উলিয়াই নিদিয়াহেঁতেন অসমীয়া ভাষা-সাহিত্যই আধুনিকতাৰ সঠিক স্থানত উপনীত হ'বলৈ বহু কাল অপেক্ষা কৰিব লাগিবহেঁতেন।
- অৰুণোদয়ে পৰাপক্ষত অন্য ভাষাৰ শব্দ ধাৰ নকৰি প্ৰয়োজন মতে অসমীয়া শব্দ সৃষ্টিৰ ধাৰা অনুসৰি নতুন শব্দ তৈয়াৰ কৰি লোৱাৰ আদৰ্শ প্ৰতিষ্ঠা কৰে।

**২.৩.২ 'অৰুনোদই'ৰ লেখকসকল ঃ**

অৰুনোদইৰ জৰিয়তে ভালেকেইজন দেশী-বিদেশী লেখকে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি আত্ম প্ৰতিষ্ঠা লাভ কৰিছিল। এই সকলৰ ভিতৰত খৃষ্টিয়ান আৰু অখৃষ্টিয়ান দুয়ো শ্ৰেণীৰ সাহিত্যিকেই আছিল। বিদেশী তথা খৃষ্টান লেখকসকলৰ ভিতৰত **ডক্টৰ নাথন্ ব্ৰাউন, এলিজা ব্ৰাউন, ডক্টৰ মাইলচ্ ব্ৰন্সন, অলিভাৰ টমাচ্ কট্টাৰ, শ্ৰীমতী কট্টাৰ, এ. কে. গাৰ্ণি, শ্ৰীমতী গাৰ্ণি** আদিৰ নাম উল্লেখযোগ্য। দেশীয় খৃষ্টান নিধি লিবাই ফাৰোৱেলও এইসকলৰ ভিতৰত অন্যতম।

গ্ৰন্থখন মিছন প্ৰেছে ১৮৪০ চনত ছপা কৰি উলিয়ায়।

| |
|---|
| ***'অৰুণোদই'ৰ প্ৰথম স□াদক আছিল ডক্টৰ নাথান ব্ৰাউন আৰু প্ৰথম প্ৰকাশক আছিল অলিভাৰ টমাচ কট্টাৰ।*** |

১৮১২ খৃষ্টাব্দৰ আমেৰিকাৰ নিউয়ৰ্কত জন্মলাভ কৰা **মাইলচ্ ব্ৰন্সন** ১৮৩৭ চনত অসমলৈ আহে। ধৰ্ম প্ৰচাৰৰ দায়িত্বত অহা ব্ৰন্সনৰ লগত আছিল তেওঁৰ সুহৃদ জেকব থমাচ আৰু তেওঁৰ পৰিয়াল। ব্ৰহ্মপুত্ৰৰ নাওও দুৰ্ঘটনাত জেকবৰ মৃত্যু হয়। তাৰ পিচত তেওঁ ক্ৰমে দ্বিতীয়া পত্নী, ভগিনীৰ আৰু নিজৰ দুহিতা মেৰিয়াকে আদি কৰি কেইবাজনো আত্মীয়ক চিৰকালৰ বাবে হেৰুৱাব লগা হয়। তথাপি তেওঁ বিচলিত নহৈ আশাশুধীয়া ভাৱে ধৰ্মপ্ৰচাৰ আৰু সাহিত্য ৰচনাৰ কাম কৰি গ'ল। নগাভূমিত কিছুদিন ধৰ্মপ্ৰচাৰ কৰাৰ পিচতে সুবিধা যেন নেদেখি ১৮৪১ চনত নগাঁৰত থিতাপি লয়। নিজ কৰ্ম স□াদন কৰি তেওঁ ১৮৭৮ চনত আমেৰিকালৈ প্ৰত্যাৱৰ্তন কৰে আৰু ১৮৮৩ চনত আমেৰিকাৰ মিচিগানত তেওঁৰ মৃত্যু হয়।

বাইবেলৰ পৰা বিভিন্ন কাহিনী গুটীয়াকৈ অনুবাদ কৰাৰ উপৰিও ব্ৰন্সনে কিছুমান স্তুতি-প্ৰাৰ্থনাৰ গীতো ৰচনা কৰিছিল। অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অসমীয়া অভিধান ব্ৰন্সনৰ এক যুগান্তকাৰী অৱদান। ১৮৬৭ চনত প্ৰকাশ পোৱা এই অভিধানত ১৪০০০ (চৈধ্য হাজাৰ) নিভাঁজ অসমীয়া শব্দই ঠাই পাইছিল। অসমৰ শিক্ষাধিকাৰ ৰবিন্সন চাহাবৰ ভাষানীতিৰ বিৰুদ্ধে ব্ৰন্সনে অকাট্য যুক্তিসহ তীব্ৰ প্ৰতিবাদ কৰিছিল।

ৰেভাৰেণ্ড ব্ৰাউন আৰু ব্ৰন্সনৰ পিচতে ১৮৭৪ চনত এ. কে. গাৰ্ণি মিছনেৰীৰ দায়িত্ব লৈ অসমলৈ আহে। শিৱসাগৰত খৃষ্টিয়ান ধৰ্ম-যাজকৰ পদ গ্ৰহণ কৰি তেওঁ ১৮৭৪ চনৰ পৰা ১৯০৭ চনলৈকে কাৰ্যনিৰ্বাহ কৰে। তেওঁ কেইবাবছৰো 'অৰুনোদই'ৰ স□াদনা কৰিছিল আৰু কেইবাখনো পুথি প্ৰণয়ন কৰিছিল। প্ৰাচীন নিয়ম, ৰুখ্ আৰু যোচেফৰ কাহিনী (১৮৮১), এল'কেশী বেশ্যাৰ কথা (১৮৭৭), কমিনী কান্তৰ চৰিত্ৰ (১৮৭৭), আৰু 'কানি বেহেৰুৱাৰ কথা' (১৮৭৮) তেওঁৰ উল্লেখযোগ্য ৰচনা। ১৯০৫ চনৰ পৰা ছটা সংখ্যা প্ৰকাশ পোৱা 'দীপ্তি' নামৰ আলোচনীখন গাৰ্ণিয়েই স□াদনা কৰিছিল। 'ফুলমণি আৰু কৰুণাৰ কাহিনী' নামৰ অনুদিত গ্ৰন্থখনৰ বাবে গাৰ্ণিৰ পত্নী শ্ৰীমতী গাৰ্ণিৰ নামো লেখত ল'বলগীয়া।

শোণিতপুৰ জিলাৰ কলংপুৰ মৌজাৰ সূতাৰ গাঁৱত জন্মলাভ কৰা নিধিৰাম সুতক (১৮২৩-১৮৭৩) শিৱসাগৰৰ মিচনেৰীসকলে তুলি লৈছিল। পিচত ব্ৰন্সন চাহাবে তেওঁক ১৮৪১ চনত বুঢ়ীদিহিঙত খৃষ্টধৰ্মত দীক্ষিত কৰি 'নিধি লিবাই ফাৰোৱেল' নাম দিয়ে। মিছনেৰীৰ আশ্ৰয়ত শিক্ষা-দীক্ষা লৈ নিধি লিবায়ে কালক্ৰমত মুখ্য ধৰ্ম প্ৰচাৰক আৰু অৰুনোদইৰ নিয়মিত লেখক হিচাপে

- পঢ়াশালি পাতি আধুনিক শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰিলে।
- অসমত পোন প্ৰথমবাৰৰ বাবে উচ্চমান স□ন্ন বাৰ্তালোচনী ‘অৰুনোদই’ প্ৰকাশেৰে নতুন যুগৰ সূচনা কৰিলে।
- অসমৰ পঢ়াশালি আৰু আদালতত বঙলা ভাষাৰ সলনি অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ বাবে ইংৰাজ শাসকৰ বিৰুদ্ধে যুঁজ দি সফল হৈছিল।
- অসমীয়া লেখকসকলক নতুনকৈ ভাষা-সাহিত্য চৰ্চা কৰিবলৈ উদ্গনি দি এচাম লেখক-সাহিত্যিক সৃষ্টি কৰিছিল।
- শব্দ ভাণ্ডাৰত বাচকবনীয়া শব্দৰ সংযোগ ঘটোৱাৰ লগতে বাক্য গঠন প্ৰণালীত ইংৰাজী প্ৰভাৱ খটুৱাই অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে।
- আধুনিক সাহিত্য সৃষ্টিৰ বাবে পৰিবেশ ৰচনা কৰি অসমীয়া সাহিত্যৰ আধুনিকতাৰ ভেটি স্থাপন কৰিলে।
- আত্ম সচেতনতা হীন আৰু হীনমন্যতাত ভোগা অসমীয়া জাতিক আত্ম-প্ৰত্যয়ৰ শিক্ষাৰে শক্তিশালী কৰি তুলিলে।

## আত্মমূল্যায়নৰ স াব্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন ১ ঃ**

মিছনেৰীসকলে খৃষ্টধৰ্ম প্ৰচাৰৰ মূল উ শ্য লৈ অসমলৈ আহিছিল যদিও অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰলৈ বিবিধ অৱদান আগবঢ়াই থৈ গৈছে। অসমীয়া ভাষা-সাহিত্যলৈ তেওঁলোকৰ মুখ্য অৱদান হৈছে– ‘অৰুনোদই’ বাৰ্তালোচনীখন।

**আত্মমূল্যায়ন ২ ঃ**

মিছনেৰী যুগটোক অসমীয়া সাহিত্যৰ বুৰঞ্জীত দুটা স্তৰত ভাগ কৰা হৈছে। সেইকেইটা হ’ল–

(১) প্ৰাক্-‘অৰুনোদই’ স্তৰ আৰু

(২) ‘অৰুনোদই’ স্তৰ।

# খণ্ড ২ ঃ অসমীয়া ৰোমাণ্টিক সাহিত্য

## গোট ১ ঃ অসমীয়া ৰোমাণ্টিক সাহিত্যৰ পটভূমি

## গোট ২ ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ। (উপন্যাস, নাটক, চুটিগল্প আদিত)

**প্ৰস্তাৱনা ঃ**

পোনপ্ৰথমে ৰোমাণ্টিক ভাৱধাৰা ইংৰাজী সাহিত্যত গঢ় লৈ উঠিছিল। পাছত ই সমগ্ৰ বিশ্বতে বিয়পি পৰিল। ১৮৮৮ খৃষ্টাব্দত 'জোনাকী' কাকতৰ জৰিয়তে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক প্ৰভাৱৰ আগমন হয়। 'ৰোমাণ্টিক' আৰু 'ৰোমাণ্টিচিজ্‌ম' শব্দ দুটাৰ প্ৰতিশব্দ হিচাপে অসমীয়া ভাষাত যথাক্ৰমে 'ৰমন্যাসিক' আৰু 'ৰমন্যাসবাদ' শব্দ দুটা গ্ৰহণ কৰা হৈছে।

মুখ্যতঃ বংগীয় সাহিত্যৰ মাজেৰে আহি ৰমন্যাসিক ভাৱধাৰাই অসমীয়া সাহিত্যত প্ৰৱেশ কৰিছে। অসমীয়া কাব্য-সাহিত্যত এই ধাৰাৰ প্ৰভাৱ বিশেষভাৱে মন কৰিবলগীয়া।

ৰমন্যাসবাদৰ লগতে সাহিত্য বিষয়ক অন্যান্য পাশ্চাত্য ধ্যান-ধাৰণা আৰু কলা-কৌশলসমূহে অসমীয়া সাহিত্যত বিশেষধৰণে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। উপন্যাস, নাটক, চুটিগল্প আদিত ইয়াৰ নিদৰ্শন পোৱা যায়। এই কালছোৱাক 'ৰোমাণ্টিক যুগ' বুলি অভিহিত কৰা হৈছে।

এই খণ্ডটোৰ জৰিয়তে তোমালোকে 'ৰোমাণ্টিক সাহিত্য', অসমীয়া ৰোমাণ্টিক সাহিত্যৰ পটভূমি আৰু অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ স□ৰ্কে জানিবলৈ পাবা।

হেমচন্দ্ৰ বৰুৱাইহে। ফলত মিছনেৰীসকলৰ ভাষা-নীতি আৰু সাহিত্য-নীতিৰ ইতি পেলাই হেমচন্দ্ৰ-গুণাভিৰামে অসমীয়া সাহিত্যলৈ নতুন গতি আনিছিল। এই গতিক শক্তিশালী কৰি তোলা সতীৰ্থসকল আছিল ৰমাকান্ত চৌধুৰী (১৮৪৬-৮৯), ভোলানাথ দাস (১৮৫৮-১৯২৯), লম্বোদৰ বৰা (১৮৬০-৯২), কমলাকান্ত ভট্টাচাৰ্য (১৮৫৪-১৯৩৬), ৰত্নেশ্বৰ মহন্ত (১৮৬৪-১৮৯৩), কালিৰাম বৰুৱা (১৮৪৭-১৯০৩), বলিনাৰায়ণ বৰা, হৰনাৰায়ণ বৰা, বলদেৱ মহন্ত, ইন্দিবৰ বৰুৱা, পূৰ্ণকান্ত শৰ্মা, পদ্মহাস গোস্বামী, ৰুদ্ৰৰাম বৰদলৈ, চন্দ্ৰশেখৰ বৰুৱা, পদ্মাৱতী দেৱী ফুকননী, বিষ্ণুপ্ৰিয়া দেৱী আৰু স্বৰ্ণলতা দেৱী আদি।

কলিকতাত অধ্যয়ন কৰা কেইজনমান অসমীয়া ছাত্ৰই ১৮৭২ চনত Literary Society (অসমীয়া সাহিত্য চ'ৰা) স্থাপন কৰিছিল। নিষ্ক্ৰিয়তাৰ গ্ৰাসত পৰা এই অনুষ্ঠানটো ১৮৮৮ খৃষ্টাব্দত পুনৰ সঞ্জীৱিত কৰি 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' (চমুকৈ অ. ভা. উ. সা. স.) নামেৰে পুনঃ প্ৰতিষ্ঠা কৰা হয়। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী – এই ত্ৰিমূৰ্তি 'অ. ভা. উ. সা. স.'ৰ ঘাই হোতা আছিল। তেওঁলোকৰ উদ্যোগত আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ অৰ্থ সাহায্যত ১৮৮৯ চনৰ জানুৱাৰী মাহত 'জোনাকী' কাকত প্ৰকাশ পায়। ১৮৮৮ চনৰ পৰা ১৮৯৬-৯৭ চনলৈকে সক্ৰিয়ভাৱে চলা এই কাকতৰ প্ৰকাশত ৰমাকান্ত বৰকাকতিৰ বৰঙণি অধিক।

'জোনাকী' কাকতৰ যোগেদি উদ্যোক্তাসকলে পাশ্চাত্য দেশৰ ৰোমাণ্টিক ভাৱধাৰা আৰু তাৰ গাঠনিক ৰূপ-বস্তু অসমীয়া সাহিত্যলৈ আদৰি আনিলে। 'জোনাকী'ৰ উপৰিও স্বতন্ত্ৰ পুথি ৰচনাৰ দ্বাৰাও তেওঁলোকে সেই ভাৱাদৰ্শক প্ৰতিষ্ঠা কৰাত শক্তি যোগালে।

ৰোমাণ্টিক আন্দোলনৰ ঘাই শিপা হৈছে ইংলেণ্ড। অষ্টাদশ শতিকাৰ অন্তিম কালৰ পৰা ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ভিতৰত ই প্ৰতিষ্ঠা লাভ কৰিছিল। অসমীয়া সাহিত্যৰ ফুলনিত ইয়াক 'যোৰা কলম'ৰ যোগেদিহে ৰোপণ কৰা হৈছিল। ইংলণ্ডত **'ফৰাচী বিপ্লৱৰ সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ ধ্বনি আৰু ভাৱাদৰ্শ, ৰুচোৰ প্ৰকৃতিৰ বুকুলৈ উভতি যোৱাৰ আহ্বান আৰু কাণ্ট হেগলৰ অতিন্দ্ৰিয়বাদী দৰ্শনে নৱন্যাস আন্দোলনৰ সৃষ্টিত সহায় কৰিলে।'** তাত যি পৰিস্থিতিত ৰমন্যাসবাদী আন্দোলনে মূৰ দাঙি উঠিছিল, অসম আছিল তাৰ পৰা সহস্ৰ যোজন দূৰত।

ঊনবিংশ শতিকাৰ নৱ জাগৰণৰ লগতে ৰমন্যাসবাদী আন্দোলনেও পশ্চিমবংগত প্ৰৱেশ কৰিছিল আৰু আবেগ সৰ্বস্ব নতুন ধাৰাটোৱে তাত সাহিত্যৰ ক্ষেত্ৰখনতো খলকনি তুলিছিল। সেই কালৰ অসমীয়া ডেকা কবি-সাহিত্যিক সকলে প্ৰথম অৱস্থাত পশ্চিমবংগৰ জৰিয়তে আৰু পিছত পাশ্চাত্য সাহিত্য অধ্যয়নৰ দ্বাৰা পোনপতীয়াকৈ প্ৰভাৱান্বিত হৈছিল। ফলত অসমীয়া সাহিত্যৰ ফুলনিখন ৰমন্যাসবাদৰ বিদেশী ফুলে জকমকীয়াকৈ সজাই তুলিলে। অসমৰ

আৰু নাট্য সাহিত্যতো ৰমন্যাসবাদৰ অভিব্যক্তি কম-বেছি পৰিমাণে প্ৰকাশ পাইছে।

**আত্মমূল্যায়ন ১ ঃ**

**ৰোমাণ্টিক সাহিত্যৰ লক্ষণ কেইটামান উল্লেখ কৰা।**

## ১.৩ অসমীয়া ৰোমাণ্টিক সাহিত্যৰ পটভূমি ঃ

অসমীয়া সাহিত্যত ৰোমাণ্টিক প্ৰভাৱ দুটা পথেৰে প্ৰৱেশ কৰে। প্ৰথমটো হ'ল– বাংলা সাহিত্য আৰু দ্বিতীয়টো হ'ল – ইংৰাজী সাহিত্য। কলিকতাত উচ্চ শিক্ষা গ্ৰহণ কৰি থকা সাহিত্য প্ৰতিভাৱান অসমীয়া ছাত্ৰসকলে বাংলা সাহিত্য আৰু ইংৰাজী সাহিত্য অধ্যয়নৰ জৰিয়তে ৰোমাণ্টিক ভাৱধাৰাৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল আৰু তেনে সাহিত্য সৃষ্টিত মনোনিবেশ কৰিছিল। 'জোনাকী' কাকতে এই আন্দোলনৰ গুৰি ধৰিছিল।

ঊনবিংশ শতাব্দীৰ শেষৰফালে পুনৰ জাগৰণৰ কালত পশ্চিমবংগত সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিবৰ্তনৰ সূচনা হোৱাৰ লগে লগে ৰমন্যাসবাদৰ প্ৰভাৱ অৱধাৰিত ভাৱেই আহি পৰিছিল। লম্বোদৰ বৰা, সত্যনাথ বৰা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আদি জোনাকী যুগৰ সাহিত্যিকসকলৰ আশৈশৱ শিক্ষাৰ মাধ্যম আছিল বঙলা ভাষা। বঙলা ভাষাৰ লগত নিবিড় স□র্ক থকা বাবেই বাংলা সাহিত্যও আছিল এওঁলোকৰ নখদৰ্পনত। এই সাহিত্যিকসকলে ইংৰাজী সাহিত্যৰ লগতে বাংলা সাহিত্যও তন্ন তন্নকৈ অধ্যয়ন কৰিছিল আৰু তাৰ ভেটিতে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰিবলৈ মন বান্ধি লৈছিল। পাশ্চাত্য দেশত উদ্ভৱ হোৱা ৰমন্যাসবাদে তেওঁলোকক উদ্বুদ্ধ কৰিছিল সঁচা কিন্তু সাহিত্য ৰচনাৰ সমগ্ৰ আৰ্হি তেওঁলোকে গ্ৰহণ কৰিছিল বঙ্গীয় সাহিত্যৰ আধাৰত। বাক্য গঠনৰ নব্য ৰীতি, কাব্য ৰচনাৰ ছন্দ ৰীতি আৰু উপন্যাস ৰচনাৰ কলা কৌশল অসমীয়া সাহিত্যিকসকলে বংগীয় সাহিত্যৰ পৰাই গ্ৰহণ

## আত্মমূল্যায়নৰ স াব্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন ১ ঃ**

ৰোমাণ্টিক সাহিত্যৰ লক্ষণকেইটামান হ'ল– (১) ই বিস্ময় ভাবৰ নৱজাগ্ৰত চেতনা, (২) সুন্দৰৰ লগত অদ্ভূতৰ সংযোগ, (৩) সাহিত্যত উদাৰ হৃদয়তা, (৪) অতীতৰ প্ৰতি শ্ৰদ্ধা, (৫) সাহিত্যত আত্মমুক্তি, (৬) কল্পনা প্ৰৱণতাৰ অসামান্য বিকাশ ইত্যাদি।

**আত্মমূল্যায়ন ২ ঃ**

লক্ষ্মীনাথ বেজবৰুৱা স□াদিত 'জোনাকী' কাকতৰ যোগেদি পাশ্চাত্য দেশৰ ৰোমাণ্টিক ভাবাধাৰা আৰু তাৰ গাঠনিক ৰূপবস্তু অসমীয়া সাহিত্যলৈ আদৰি অনা হৈছিল।

## অনুশীলনী – ১

**(১) চমু উত্তৰ লিখাঁ –**

(ক) ৰমন্যাসবাদ বুলিলে কি বুজা ?

(খ) ৰোমাণ্টিক সাহিত্য বুলিলে কি বুজা ?

**(২) ৰচনাধৰ্মী উত্তৰ লিখাঁ —**

(১) ৰোমাণ্টিক সাহিত্যৰ লক্ষণ স□ৰ্কে আলোচনা কৰা।

(২) অসমীয়া ৰোমাণ্টিক সাহিত্যৰ পটভূমি বিষয়ক এক নিবন্ধ যুগুত কৰা।

(৩) অসমীয়া কবিতাত ৰোমাণ্টিক ভাবধাৰা কেনেদৰে প্ৰতিফলিত হৈছে, দুজনমান কবিৰ কবিতাৰ উদাহৰণেৰে বুজাই লিখা।

### *অধ্যয়ন কৰিবলগীয়া গ্ৰন্থপঞ্জী ঃ*

(১) অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ড° মহেশ্বৰ নেওগ
(২) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ড° সত্যেন্দ্ৰ নাথ শৰ্মা
(৩) ৰমন্যাসবাদ ঃ ড° মহেন্দ্ৰ বৰা

## ২.১ প্ৰস্তাৱনা ঃ

১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈকে ৰোমাণ্টিক প্ৰভাৱপুষ্ট অসমীয়া সাহিত্যৰ বিভিন্ন শাখাৰ উদ্ভৱ হ'ল যদিও 'গীতি কবিতা'ৰ আধিপত্য বাহাল থাকিল। ৰোমাণ্টিক 'গীতি কবিতা'ৰে অৰিহণা আগবঢ়োৱা কবিসকল হ'ল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, ৰঘুনাথ চৌধাৰী, হিতেশ্বৰ বৰবৰুৱা আদি। সেইদৰে পদ্মনাথ গোহাঞিবৰুৱা আৰু ৰজনীকান্ত বৰদলৈৰ হাতত উপন্যাস, বেজবৰুৱা আৰু চন্দ্ৰধৰ বৰুৱা আদিৰ হাতত নাটক আৰু বেজবৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী আদিৰ হাতত চুটিগল্পৰ বিকাশ সাধন হ'ল। তদুপৰি প্ৰবন্ধ সাহিত্য, ব্যঙ্গ সাহিত্য আৰু সমালোচনা সাহিত্যৰ উদ্ভৱো এইছোৱা কালতে হৈছিল।

জোনাকী প্ৰকাশৰ (১৮৮৯) এবছৰৰ পিছতে ১৮৯০ চনত 'বিজুলী' নামৰ আন এখন কাকতে আত্মপ্ৰকাশ কৰে। এই কাকতক কেন্দ্ৰ কৰিও এটি সাহিত্যিক দল সৃষ্টি হৈছিল। দুয়োখন কাকতেই দীৰ্ঘস্থায়ী নহ'ল। কিন্তু কাকত দুখনে আনি দিয়া সাহিত্যিক জাগৰণ অব্যাহত থাকিল।

জোনাকী কাকতে এটা নৱজাগ্ৰত সাহিত্যিক চেতনা আনি দিছিল যাৰ দ্বাৰা পৰিচালিত অসমীয়া ভাষা-সাহিত্যই সুদূৰ প্ৰসাৰী অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছিল। সেইফালৰ পৰা 'জোনাকী'ৰ অৱদান লেখত ল'বলগীয়া। তেনে অৱদানসমূহ হ'ল –

- ৰমন্যাসবাদৰ জৰিয়তে প্ৰকৃতি প্ৰীতিমূলক, স্বদেশ প্ৰীতিমূলক, প্ৰেম প্ৰীতিমূলক আৰু মানৱ প্ৰীতিমূলক কবিতাৰ লগে লগে চতুৰ্দশপদী কবিতা, শোক কবিতা, ব্যংগ কবিতা আদি ভিন্ন ধৰ্মী কবিতাৰ সৃষ্টিৰে আধুনিক অসমীয়া কবিতালৈ নতুন কাব্যধাৰা বোৱাই আনিলে।
- গদ্য সাহিত্যৰ পুৰণি ধৰ্মীয়ধাৰাৰ বিপৰীতে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ গদ্যক চেৰাই চুটিগল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনা সাহিত্য আদিৰ জৰিয়তে আধুনিক গদ্য সাহিত্য বৰ্ণাঢ্য আৰু বৈচিত্ৰ্যময় কৰি তুলিলে।
- পাশ্চাত্য নাট্যধাৰাৰ Tragedy, Comedy আৰু Farce ৰ আদৰ্শত মিলনান্ত, বিয়োগান্ত আৰু প্ৰসহন শ্ৰেণীৰ নাট সৃষ্টিৰ প্ৰয়াস আৰ হ'ল।
- 'জোনাকী'ৰ লগে লগে প্ৰতিযোগিতামূলকভাৱে সৃষ্টি হ'ল 'বিজুলী'। দুয়োখন কাকতৰ জৰিয়তে বহুতো নতুন সাহিত্য কৰ্মীৰ সৃষ্টি হ'ল যিসকলে বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধলৈকে সাহিত্য চৰ্চা কৰি যুগমীয়া কীৰ্তি ৰাখি গৈছে।

বেহেৰুৱাৰ কথা' (এ. কে. গার্ণি) আৰু 'ফুলমণি আৰু কৰুণা' (শ্ৰীমতী গার্ণি) আদি সেই সময়ত ৰচিত গ্ৰন্থসমূহক স□ূর্ণৰূপে উপন্যাসৰ শাৰীত থ'ব নোৱাৰিলেও এইবোৰৰ ঐতিহাসিক মূল্য নুই কৰিব নোৱাৰি। ইয়াৰ ভেটিতেই কালত বেজবৰুৱা, গোহাঁঞিবৰুৱা আৰু ৰজনীকান্ত বৰদলৈয়ে অসমীয়া উপন্যাস সাহিত্যৰ নতুন ইতিহাস ৰচনা কৰাৰ প্ৰেৰণা পাইছিল।

উপন্যাসৰ উপৰিও কবিতা, নাটক, চুটিগল্প, প্ৰবন্ধ, ৰম্যৰচনা, ভ্ৰমণ কাহিনী, জীৱনী সাহিত্য, শিশু-সাহিত্য আদি বিবিধ সাহিত্য-স□দ পাশ্চাত্য আদর্শতেই সৃষ্টি হৈছে। 'অৰুনোদই' যুগত অংকুৰিত হোৱা আধুনিক অসমীয়া সাহিত্য 'জোনাকী-বাঁহী যুগত পত্ৰে-পুষ্পে বিকশিত হৈ উঠে। প্ৰকৃতাৰ্থত 'জোনাকী' আৰু 'বাঁহী'ৰ যুগতহে অসমীয়া সাহিত্যত পূর্ণপর্যায়ৰ পাশ্চাত্য প্ৰভাৱ পৰিলক্ষিত হয়। ইংৰাজী আৰু বাংলা সাহিত্য অধ্যয়ন কৰি তাৰ আৰ্হিত পাশ্চাত্যধৰ্মী সাহিত্যৰাজি সৃষ্টি কৰিছিল। তেতিয়াৰ কলিকতীয়া ছাত্ৰ চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী– এই জোনাকী যুগৰ ত্ৰিমূৰ্তিয়ে। পদ্মনাথ গোহাঞি বৰুৱা, ৰজনীকান্ত বৰদলৈ, ৰমাকান্ত বৰকাকতী, গুঞ্জানন বৰুৱা, বেণুধৰ ৰাজখোৱা আদি সমসাময়িক সাহিত্যিকসকলেও এই যাত্ৰাত সহযোগিতা আগবঢ়াই আধুনিক অসমীয়া সাহিত্যৰ ভেটি সুদৃঢ় কৰিছিল।

## ২.২.১ অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ ঃ

আধুনিক সাহিত্য জগতত উপন্যাস এবিধ অতি জনপ্ৰিয় সাহিত্য কলা। অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। অসমীয়া সাহিত্যৰ অন্যান্য শাখাৰ দৰে উপন্যাসো পাশ্চাত্য ধ্যান-ধাৰণা আৰু কলা-কৌশলৰ দ্বাৰা নিৰ্মিত।

কাহিনী বা বিষয়বস্তু, চৰিত্ৰ, কাব্যধৰ্মিতা আৰু পৰিস্থিতি (পৰিবেশ সৃষ্টি) আদি উপকৰণেৰে পাশ্চাত্যত উপন্যাস সৃষ্টি কৰা হৈছিল। অসমীয়া উপন্যাস সৃষ্টিৰ বেলিকাও পাশ্চাত্য প্ৰভাৱ পদে পদে বিৰাজমান। এক কথাত ক'বলৈ গ'লে পাশ্চাত্য উপন্যাসৰ প্ৰত্যক্ষ অনুকৰণতেই অসমীয়া উপন্যাস সাহিত্যৰ সৃষ্টি হৈছে।

বাস্তৱ জগতৰ বিচিত্ৰ কাহিনী, মানুহৰ মনস্তাত্ত্বিক হৰ্ষ-বিষাদ, অন্তৰ্দ্বন্দ, ব্যক্তিদ্বন্দ, সামাজিক দ্বন্দ আদিৰ বিশিষ্ট স্বৰূপ পাশ্চাত্য উপন্যাসৰ বিষয়-বস্তুত থাকে। সেই বিষয় বস্তুকেই বাস্তৱসন্মত ভাৱে আৰু কলাত্মক ৰূপত উপন্যাসত উপস্থাপন কৰা হয়। অসমীয়া উপন্যাস সাহিত্যৰ ভেটি তাৰ আৰ্হিতেই গঢ় লৈ উঠিছে।

মিছনেৰী যুগত এ.কে. গার্ণি ৰচিত 'কামিনীকান্ত চৰিত্ৰ'তে অসমীয়া সাহিত্যৰ ইতিহাস আৰ   হয়। পিছৰ কালত ইংৰাজ ঔপন্যাসিক 'চাৰ ৱাল্টাৰ

### ২.২.২ অসমীয়া চুটিগল্পত পাশ্চাত্য প্ৰভাৱ ঃ

'চুটিগল্প' সাহিত্য কলাৰ এটি অভিনৱ শাখা। 'উপন্যাসৰ দৰে ইও কাহিনী সাহিত্য'। 'চুটি' শব্দটোৱে ইয়াত আভিধানিক অৰ্থ প্ৰকাশ নকৰি এক ব্যঞ্জিত অৰ্থহে প্ৰকাশ কৰিছে। অৰ্থাৎ ইয়াৰ আকাৰ প্ৰকাৰ চুটি – এনে অৰ্থত নহয়, সংক্ষিপ্ত ৰূপত ভাৱ (motive), পৰিকল্পনা (plan) আৰু গঠন (structure) পদ্ধতি ৰূপায়ণ কৰা হয় বাবেহে ইয়াক 'চুটিগল্প' বোলে। পাশ্চাত্য দেশত সৃষ্টি হোৱা চুটিগল্পৰ এই বৈশিষ্ট্য অসমীয়া গল্প সাহিত্যইও ৰূপায়ণ কৰিছে।

কাহিনী সাহিত্যৰ ভিতৰুৱা হ'লেও ইয়াত পৰিপূৰ্ণ কাহিনী নাথাকে। একোটা ঘটনাইহে ইয়াত একোটা বিষয়বস্তুৰ ৰূপ দিয়ে। লক্ষ্যৰ ঐক্য আৰু উে শ্যৰ ঐক্যৰ প্ৰতি বিশেষ দৃষ্টি ৰাখি ঘটনাক একমুখী কৰি তোলাটো চুটিগল্প ৰচনাৰ এক বিশেষ কৌশল। পাশ্চাত্য গল্প সাহিত্যৰ এই কৌশলৰ প্ৰভাৱ অসমীয়া গল্প সাহিত্যটো দেখা যায়। নাটকীয়তা, কাব্যধৰ্মিতা, চৰিত্ৰ, পৰিস্থিতি – এই উপাদানবোৰেই চুটিগল্পক পৰিপূৰ্ণ সাহিত্য কলা ৰূপে গঢ় দিয়ে। পাশ্চাত্য গল্প সাহিত্যৰ এই আটাইবোৰ বৈশিষ্ট্য, উপাদান আৰু কলা-কৌশলৰ প্ৰভাৱ কম-বেছি পৰিমাণে অসমীয়া চুটিগল্পত পৰিছে।

**আত্মমূল্যায়ন ২ ঃ**

**অসমীয়া চুটিগল্প আঁতিগুৰি স□ৰ্কে চমুকৈ লিখা।**

___________________________________________
___________________________________________
___________________________________________
___________________________________________
___________________________________________
___________________________________________
___________________________________________
___________________________________________
___________________________________________
___________________________________________
___________________________________________

আদি। আনহাতে পশ্চিমীয়া ৰোমাণ্টিক আদৰ্শত বেজবৰুৱা, গোহাঞি বৰুৱা, নকুল ভূঞা আদিয়ে বুৰঞ্জীমূলক নাটৰচনাতো হাত দিয়ে। বেজবৰুৱাই 'চক্রধ্বজ সিংহ' নাটত সংযোগ কৰা গজপুৰীয়া, গজপুৰীয়ানী আৰু প্ৰয়ৰামৰ চৰিত্ৰ চেক্সপিয়েৰৰ 'Henry IV' নাটকৰ 'Fallstaff', 'Mistress Quickly' আৰু 'Prince Hall' চৰিত্ৰৰ অনুকৰণত সৃষ্টি কৰিছে।

অনুবাদমূলক নাটসমূহৰ অভিনয়ো হৈছিল। ড০ মহেশ্বৰ নেওগে 'ভ্ৰমৰংগ'ৰ অনুবাদ আৰু অভিনয় স□ৰ্কে এনেদৰে মন্তব্য দাঙি ধৰিছে—

> 'দ্বিতীয় বছৰ জোনাকী কাকত ২ নং ভৱানীচৰণ দত্ত লেনৰ পৰা ওলাইছিল। এই লেনত থকা অসমীয়া ডেকা ছাত্ৰসকলে শ্বেক্‌ছপিয়েৰৰ Commedy of Errors অৰ ভাঙনি 'ভ্ৰমৰংগ'ৰ (১৮৮৮) অভিনয় কৰিছিল। ভাঙনিখন কৰিছিল ৰত্নধৰ বৰুৱা, ৰমাকান্ত বৰকাকতী, গুঞ্জানন বৰুৱা আৰু ঘনশ্যাম বৰুৱাই। শিৱৰাম বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱা সহায়ক আছিল।'
>
> –*'অসমীয়া সাহিত্যৰ ৰূপৰেখা'*, পৃষ্ঠা ২৮৩

জ্যোতি প্ৰসাদৰ নাট্যৰীতিতো পাশ্চাত্য প্ৰভাৱে আমূল পৰিবৰ্তন ঘটালে। ইব্‌চেনস বাৰ্ণাড্‌শ্ব, গল্‌ছৱাৰ্ডি আদিৰ প্ৰভাৱত বিষয়-বস্তুলৈ বৈপ্লৱিক ভাৱধাৰা আহিল আৰু নাটকীয় কলা-কৌশললৈও পৰিবৰ্তন আহিল। পূৰ্বৰ অংক-দৃশ্যৰ ধাৰণা-সলনি হোৱাৰ লগতে 'অমিতাক্ষৰ ছন্দ' আৰু 'স্বগতোক্তি' লোপ পালে। পৰৱৰ্তী কালতো অসমীয়া নাট্যকলাৰ পৰিবৰ্তনৰ লগত পাশ্চাত্য প্ৰভাৱ অব্যাহত থাকিল।

## ২.৫ কবিতা, নিবন্ধ, ৰম্য ৰচনা, জীৱন চৰিত, সমালোচনামূলক সাহিত্য, গবেষণামূলক সাহিত্য আদিত পাশ্চাত্য প্ৰভাৱ ঃ

পাশ্চাত্যৰ প্ৰভাৱত অসমীয়া সাহিত্যত উপন্যাস, চুটিগল্প, নাটক আদি সৃষ্টি হোৱাৰ দৰে সাহিত্যৰ অন্যান্য ভালেমান বিষয়ৰো সৃষ্টি হৈছিল। এইবোৰৰ ভিতৰত কবিতা বা কাব্য সাহিত্যই অধিক গুৰুত্ব পাইছিল। উৎকৃষ্টমানৰ নিবন্ধ, ৰম্য ৰচনা আৰু জীৱন চৰিত সৃষ্টিৰ মূলতেও পাশ্চাত্যৰ প্ৰভাৱ। সমালোচনা সাহিত্য আৰু গৱেষণামূলক সাহিত্য সৃষ্টিও পাশ্চাত্য ধ্যান-ধাৰণাৰ প্ৰভাৱ পূৰ্ণাংগ ৰূপত দেখা পোৱা যায়। আধুনিক যুগৰ অসমীয়া সাহিত্যত এই গোটেইবোৰ বিষয়ৰ চৰ্চা সন্চালনীকৈ হোৱা বাবে অসমীয়া সাহিত্যই বৈচিত্ৰ্য আৰু বৰ্ণাঢ্য ৰূপত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল।

ইংৰাজ কবি মিল্টন তথা বংগীয় কবি মাইকেল মধুসুদন দত্ত আৰু গিৰীশ চন্দ্ৰ ঘোষ আদিৰ দ্বাৰা ব্যৱহৃত অমিতাক্ষৰ ছন্দৰ অনুকৰণত ৰমাকান্ত

জীৱনী আৰু আত্মজীৱনীৰ সৃষ্টি হোৱাটো মন কৰিবলগীয়া। জীৱনীৰ ভিতৰত 'আনন্দৰাম বৰুৱাৰ জীৱন চৰিত্ৰ', 'মহাত্মা গোখ্‌লে', 'চন্দ্ৰকুমাৰ আগৰৱালা', স্মৃতি তীৰ্থ, 'দেশভক্ত তৰুণ ৰাম ফুকন', 'মণিৰাম দেৱান', 'কামাল পাছা' আদি আৰু আত্মজীৱনীৰ ভিতৰত 'মোৰ জীৱন সোঁৱৰণ' (লক্ষ্মীনাথ বেজবৰুৱা), জীৱন সোঁৱৰণ (পদ্মনাথ গোহাঞি বৰুৱা), জীৱন সোঁৱৰণ (ৰজনীকান্ত বৰদলৈ) আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

## ২.৬ সাৰাংশ ঃ

- ১৮৮৯ চনৰ পৰা ১৯৪০ চনৰ ভিতৰত ৰোমাণ্টিক প্ৰভাৱপুষ্ট অসমীয়া সাহিত্যৰ বিভিন্ন শাখাৰ উদ্ভৱ হ'ল। অসমৰ মাটিত উপজিলেও কবিতা, উপন্যাস, চুটিগল্প, প্ৰবন্ধ, ব্যংগৰচনা, সমালোচনা আদি এই সকলো শাখা পাশ্চাত্য প্ৰভাৱেৰে পৰিপুষ্ট হ'ল।

- জোনাকী (১৮৮৯) আৰু বিজুলী (১৮৯০) কাকতক কেন্দ্ৰ কৰি এটি মানস□ন্ন সাহিত্যিক দলৰ সৃষ্টি হৈছিল। কাকত দুখনৰ প্ৰকাশ অতি কম সময়ৰ ভিতৰতে বন্ধ হৈছিল যদিও ইয়াৰ দ্বাৰা সৃষ্টি হোৱা সাহিত্যিক জাগৰণ দীৰ্ঘস্থায়ী হৈ থাকিল। জোনাকী কাকতৰ অৱদান এই ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

- অসমীয়া সাহিত্যত অতি জনপ্ৰিয় উপন্যাস আৰু চুটিগল্প সৃষ্টি হৈছিল পাশ্চাত্য সাহিত্যৰ আধাৰত।

- অসমত নাট্য-কলাৰ ইতিহাস অতি প্ৰাচীন যদিও আধুনিক যুগত ইয়াৰ আমূল পৰিবৰ্তন সাধিত হ'ল। এই পৰিবৰ্তনৰ মূল কাৰক হ'ল পাশ্চাত্য প্ৰভাৱ।

- পাশ্চাত্য প্ৰভাৱত অসমীয়া সাহিত্যত উপন্যাস, চুটিগল্প, নাটক আদি সৃষ্টি হোৱাৰ দৰে সাহিত্যৰ অন্যান্য ভালেমান শাখাৰো সৃষ্টি হৈছিল। এইবোৰৰ ভিতৰত কবিতা বা কাব্য সাহিত্যই অধিক গুৰুত্ব পাইছিল। নিবন্ধ, ৰম্যৰচনা, সমালোচনা সাহিত্য, জীৱনী সাহিত্য আদিৰ সৃষ্টিৰ মূলতেও পাশ্চাত্য প্ৰভাৱ।

- ৰোমাণ্টিক যুগত অসমীয়া সাহিত্যৰ গোটেইবোৰ বিষয়ৰ চৰ্চা আৰু সাধনা সণ্চালনীকৈ হোৱাৰ বাবে অসমীয়া সাহিত্যই বিচিত্ৰ আৰু বৰ্ণাঢ্য ৰূপত আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হ'ল।

(২) কবিতা, জীৱনী সাহিত্য, প্ৰবন্ধ, সমালোচনা সাহিত্য আদিত পাশ্চাত্য প্ৰভাৱ স□ৰ্কে এটি আলচ যুগুত কৰা।

(৩) জোনাকী যুগৰ অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ স□ৰ্কে আলোচনা কৰাঁ।

(৪) যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা / নাটক / উপন্যাসত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে আলোচনা কৰা।

(৫) অসমীয়া আধুনিক নাটকত শ্বেক্সপীয়েৰ আৰু ইবচেনৰ প্ৰভাৱ স□ৰ্কে চমু আলোচনা আগবঢ়োৱা।

***অধ্যয়ন কৰিবলগীয়া গ্ৰন্থ ঃ***

১। অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ড০ মহেশ্বৰ নেওগ

২। অসমীয়া সাহিত্যৰ ইতিবৃত্ত ঃ ড০ সত্যেন্দ্ৰ নাথ শৰ্মা

৩। অসমীয়া সাহিত্যৰ দৃষ্টিপাত ঃ ড০ হেমন্ত কুমাৰ শৰ্মা

৪। অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ ঃ নাৰায়ণ দাস আৰু পৰমান্দ ৰাজবংশী (স□া.)

৫। নাটক ঃ ড০ মৃণাল কুমাৰ গগৈ (স□া.)

## গোট ১ ঃ উপন্যাস, চুটিগল্প

**গঠন ঃ**

**১.০ উ  শ্য**

**১.১ প্ৰস্তাৱনা**

**১.২** অসমীয়া উপন্যাস সাহিত্য

১.২.১ অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাস

১.২.২ অসমীয়া উপন্যাস সাহিত্যৰ ধাৰা

**১.৩** অসমীয়া গল্প সাহিত্য

১.৩.১ অসমীয়া চুটিগল্পৰ ইতিহাস আৰু গতিপথ

**১.৪ সাৰাংশ**

### ১.০ উ  শ্য ঃ

এই গোটটো অধ্যয়ন কৰিলে তোমালোকে –

- উপন্যাস সৃষ্টিৰ উপাদান, গাঠনিক ৰূপ আৰু লক্ষণ স□ৰ্কে বিশদভাৱে জানিব পাৰিবা।
- অসমীয়া উপন্যাসৰ উদ্ভৱ, বিকাশ আৰু বিষয় বৈচিত্ৰ্য স□ৰ্কে সম্যক জ্ঞান আহৰণ কৰিব পাৰিবা।
- চুটিগল্পৰ উপাদান, ইয়াৰ বৈশিষ্ট্য আৰু লক্ষণবোৰৰ বিষয়ে জানিব পাৰিবা।

### ১.১ প্ৰস্তাৱনা ঃ

পাশ্চাত্য দেশসমূহৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ ফলস্বৰূপেই উপন্যাস আৰু চুটিগল্পৰ লেখীয়া ‘কথাসাহিত্য’ৰ সৃষ্টি হৈছিল। ইয়াৰ আদৰ্শতেই আধুনিক যুগৰ অসমীয়া কথা-সাহিত্যত উপন্যাস আৰু চুটিগল্পসমূহৰ উদ্ভৱ আৰু বিকাশ সাধিত হৈছিল। অসমীয়া উপন্যাসৰ উদ্ভৱ আৰু বিকাশত পদ্মনাথ গোহাঞিবৰুৱা আৰু ৰজনীকান্ত বৰদলৈয়ে যি ভূমিকা লৈছে ঠিক সেইদৰে চুটিগল্পৰ বিকাশৰ বেলিকা লক্ষ্মীনাথ বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীয়েও একেই ভূমিকা পালন কৰিছে।

বাস্তৱ অভিজ্ঞতাৰ উপাদানেৰে নিৰ্মিত কাল্পনিক জীৱনৰ ধাৰাবাহিক ঘটনাৰাজি বৈচিত্ৰ্যময় আৰু প্ৰাণময় ৰূপত প্ৰকাশ কৰা সাহিত্য কলাই হৈছে উপন্যাস। উপন্যাস এবিধ সৃষ্টিমূলক সাহিত্য-কৰ্ম। ইয়াত বাস্তৱ চিত্ৰৰ সৈতে কল্প চিত্ৰৰ সমন্বয় এনেভাৱে ঘটোৱা হয় যে পাঠকে তাৰ উমানকে নাপায়। বাস্তৱ ভিত্তি নথকা কাল্পনিক আৰু অলৌকিক কথা উপন্যাসত গ্ৰহণযোগ্য নহয়। ইয়াত একোটা কাহিনীৰ আৰ ণি থাকে আৰু কল্পিত পৰিসমাপ্তিৰ পিনে ঘটনা চক্ৰ নিৰ্দিষ্ট গতিত ধাবিত হয়।

উপন্যাস নিৰ্মিত হয় কাহিনী, চৰিত্ৰ, নাট্যধৰ্মিতা, পৰিস্থিতি আৰু ৰচয়িতাৰ জীৱন দৰ্শনৰ সমন্বয়ত। ঔপন্যাসিকৰ প্ৰতিভা, সৃষ্টিধৰ্মিতা আৰু জীৱন দৰ্শনৰ স্বাক্ষৰ একোখন উপন্যাসত আদিৰ পৰা অন্তলৈ উজলি থাকে।

### ১.২.১ অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাস ঃ

পাশ্চাত্য দেশত উদ্ভৱ হোৱা উপন্যাস সাহিত্যৰ আৰ্হিতেই অসমীয়া সাহিত্যত উপন্যাস সৃষ্টি হ'ল। অসমীয়া উপন্যাসক পাশ্চাত্য সাহিত্য অধ্যয়নৰ প্ৰত্যক্ষ ফচল বুলি কোৱা হয়। যদিও বংগীয় সাহিত্যৰ প্ৰভাৱো ইয়াত নথকা নহয়।

অৰুণোদয় যুগত 'জাত্ৰিকৰ যাত্ৰা' (অনুবাদ), 'ফুলমণি আৰু কৰুণা' আৰু 'কামিনীকান্তৰ চৰিত্ৰ' আদি খৃষ্টীয় প্ৰচাৰধৰ্মী গ্ৰন্থক কেৱল ঐতিহাসিক কাৰণতহে উপন্যাসৰ শাৰীত থোৱা হয়। পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' ধৰ্ম প্ৰচাৰমুখী নহ'লেও বাস্তৱতাৰ পৰা কিছু নিলগত। আখ্যান ভাগৰ বিকাশত সৌন্দৰ্য নাথাকিলেও হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি' গ্ৰন্থখনহে উপন্যাসৰ কিছু ওচৰ চপা।

### ১.২.২ অসমীয়া উপন্যাস সাহিত্যৰ ধাৰা ঃ

বেজবৰুৱাৰ 'পদুম কুঁৱৰী'ৰ ৰচনা কাল ১৮৯০, কিন্তু প্ৰকাশ হৈছিল ১৯০৫ চনত। ১৮৯১ চনত প্ৰকাশিত গোহাঞিবৰুৱাৰ 'ভানুমতী'ক সেয়েহে প্ৰথম অসমীয়া পূৰ্ণাংগ উপন্যাস বুলি ধৰা হয়। গোহাঞিবৰুৱাৰ দ্বিতীয়খন উপন্যাস 'লাহৰী' প্ৰকাশিত হৈছিল ১৮৯২ চনত। এই তিনিওখন উপন্যাসৰ জৰিয়তে অসমীয়া আধুনিক উপন্যাসৰ ধাৰাবাহিকতা আৰ হৈছে। 'ভানুমতী' আৰু 'লাহৰী' কাহিনী প্ৰধান উপন্যাস। দুয়োখনতে চিত্ৰিত হৈছে প্ৰেমৰ চিৰন্তন চিত্ৰ। দুয়োখন উপন্যাসেই নায়িকা প্ৰধান। দুয়োখন ৰচিত হৈছে আহোম যুগৰ শেষ স্তৰৰ ঐতিহাসিক পটভূমিত – কিন্তু কাহিনী বিকাশত ইতিহাসে সহায় কৰা নাই। দুয়োখন উপন্যাসতে চাঞ্চল্যকৰ ঘটনা আছে কিন্তু চৰিত্ৰ সৃষ্টিত বৈচিত্ৰ্য নাই আৰু মানসিক অৱস্থাৰ বিশ্লেষণো নাই। কিন্তু পৰিণতিৰ দিশৰ পৰা

কুঁৱলী' (১৯২২), 'অপূর্ণ' (১৯৩১), 'আগ্নেয়গিৰি, বিদ্রোহী, আদৰ্শপীঠ, দুনীয়া (১৯৬২) আদিত আদর্শবাদৰ প্রচাৰ আৰু সমাজ সংস্কাৰৰ মনোভাৱ অতি প্ৰৱল। সেইবাবে সাৰ্থক উপন্যাস হিচাপে ৰসোত্তীর্ণ হ'ব পৰা নাই।

কুৰি শতিকাৰ চতুৰ্থ দশকৰ শেষ পৰ্যন্ত ভালেকেইজন সাহিত্যিকৰ হাতত উপন্যাস সাহিত্যই প্ৰাণ পাই উঠিছিল। ঐতিহাসিক পটভূমিত ৰচিত শৰৎ চন্দ্ৰ গোস্বামীৰ 'পানীপথ' (১৯৩০) আৰু হৰিনাৰায়ণ দত্তবৰুৱাৰ 'চিত্ৰদৰ্শন' (১৯৩১) সেইকালৰ উল্লেখযোগ্য উপন্যাস। হৰেশ্বৰ শৰ্মাৰ 'কুসুম কুমাৰী' (১৯০৫), দণ্ডিধৰ সোনোৱালৰ 'চপলা' (১৯২০), চিন্তাহৰণ পাটগিৰিৰ 'সংসাৰ চিত্ৰ' (১৯১১), নবীন ভট্টাচাৰ্যৰ 'চন্দ্ৰপ্ৰভা' (১৯০৮), স্নেহলতা ভট্টাচাৰ্যৰ 'বেমেজালি' আৰু 'বীণা' (১৯২৬), দীননাথ শৰ্মাৰ 'ঊষা' (১৯৪০) আদি সামাজিক পটভূমিত ৰচিত উপন্যাসসমূহে ৰোমাণ্টিক যুগৰ সৌষ্ঠৱ বঢ়াইছে। উপন্যাসসমূহে উচ্চ স্তৰৰ সীমা স্পৰ্শ কৰিব পৰা নাই যদিও সমসাময়িক সমাজৰ সামাজিক দ্বন্দ, সমস্যা আদি সাহিত্যিক ৰূপত দাঙি ধৰাৰ প্ৰয়াস কৰিছে। কিছুমান বিশ্ববিখ্যাত উপন্যাসৰ অনুবাদো সেই সময়তে হৈছিল। তেনে কেইখনমান উপন্যাস হ'ল থানেশ্বৰ হাজৰিকাৰ 'দীনদুখী', লক্ষেশ্বৰ শৰ্মাৰ 'মাতৃ' আৰু 'পি□য়াইৰ প্ৰলয় কাহিনী, শান্তিৰাম দাসৰ মিলনমন্দিৰ আৰু দীননাথ শৰ্মাৰ 'মাটিৰ মানুহ' আদি।

## ১.৩ অসমীয়া গল্প সাহিত্য ঃ

চুটিগল্প সাহিত্যকলাৰ এটি অভিনৱ শাখা। উপন্যাসৰ দৰে ইও এবিধ বিশিষ্ট কাহিনী সাহিত্য। 'চুটি' শব্দটো আকাৰ-প্ৰকাৰত চুটি অৰ্থত ইয়াত প্ৰয়োগ হোৱা নাই। ই এক ব্যঞ্জনাধৰ্মী অৰ্থহে প্ৰকাশ কৰিছে। অৰ্থাৎ ভাৱ (Motive), পৰিকল্পনা (Plan) আৰু গঠন (Structure) পদ্ধতি সংক্ষিপ্ত ৰূপত ৰূপায়ণ কৰা হয় বাবে সেই অৰ্থতহে ইয়াক চুটিগল্প বোলা হয়।

কাহিনী সাহিত্যৰ ভিতৰুৱা হ'লেও চুটিগল্পত পূৰ্ণদৈৰ্ঘ্যৰ এক পৰিপূৰ্ণ কাহিনী নাথাকে। একোটা বিচিত্ৰ ঘটনাকহে ইয়াত বিষয়-বস্তুৰ ৰূপ দিয়া হয়। লক্ষ্যৰ ঐক্য আৰু উ েশ্যৰ ঐক্যৰ প্ৰতি বিশেষ দৃষ্টি ৰাখি ঘটনা প্ৰৱাহক একমুখী কৰি তোলাটো চুটিগল্প ৰচনাৰ এক বিশেষ কৌশল। নাটকীয়তা, কাব্যধৰ্মিতা, চৰিত্ৰ, পৰিস্থিতি আদি এই উপাদানবোৰেই চুটিগল্পক স্বয়ংস□ূৰ্ণ সাহিত্য-কলা ৰূপে গঢ় দিয়ে।

ছশ বছৰীয়া আহোম ৰাজত্বৰ বেলি মাৰ যোৱাৰ লগে লগে অসমৰ আকাশত উদয় হ'ল পাশ্চাত্য শিক্ষা আৰু পাশ্চাত্য জীৱন-দৰ্শনৰ নতুন জোনাক। ধৰ্মদৰ্শনৰ প্ৰচলিত ধ্যান-ধাৰণা আৰু প্ৰচলিত জীৱন বীক্ষাৰ বহুলাংশে ৰূপান্তৰ ঘটিল। ফলত নতুন মূল্যবোধৰ আধুনিকতাৰ বাটেৰে বাট বুলিবলৈ ল'লে।

অসমীয়া চুটি গল্পৰ উদ্ভৱ হৈছিল 'জোনাকী' আলোচনীৰ যোগেদি।

ৰাজখোৱাৰ দ্বাৰা স□াদিত বিজুলী (১৮৯০-৯২), পদ্মনাথ গোহাঞিঃ বৰুৱা স□াদিত 'ঊষা' (১৯০৭-১৯১৬), লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' (১৯০৯-১৯৩০), 'আলোচনী', 'চেতনা', 'মিলন', সাধনা, আসাম হিতৈষী আদি। সেই যুগৰ গল্পকাৰ সকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্র গোস্বামী, নকুল চন্দ্র ভূঞা, দণ্ডিনাথ কলিতা আৰু সূৰ্য কুমাৰ ভূঞাৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

**(২) আৱাহন যুগ ঃ**

আৱাহন যুগত অসমীয়া চুটিগল্পই পূৰ্বস্তৰৰ আদৰ্শৰ পৰা আঁতৰি আহি বিষয়-বস্তু আৰু ভাৱ-বস্তুৰ স□সাৰণ ঘটালে। এইক্ষেত্ৰত প্ৰধানকৈ গান্ধীবাদী আদৰ্শৰ ভূমিকা অধিক। এই যুগৰ গল্প স াৰত জাতিধৰ্মৰ ভেদাভেদ দূৰীকৰণ, স্বাৱলম্বিতাৰ শিক্ষা আৰু সমাজ সংস্কাৰ ধৰ্মী ধ্যান-ধাৰণাই গুৰুত্ব পোৱাৰ মূলতে হ'ল গান্ধীবাদী দৰ্শন। আৱাহন যুগৰ উল্লেখযোগ্য গল্পকাৰসকল হ'ল -- নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলীৰাম ডেকা, ৰমা দাশ, বীণা বৰুৱা, ত্ৰৈলোক্য নাথ গোস্বামী, ৰাধিকামোহন গোস্বামী, কৃষ্ণ ভূঞা, মুনীন বৰকটকী, দ্বীপান্বিতা চৌধুৰী আদি।

সমকালীন জাতীয় জীৱনৰ পৰিৱৰ্তনমুখী গতিধাৰাৰ স্বাক্ষৰ আৱাহন যুগৰ গল্প-সাহিত্যত থকা বাবে ইয়াক সেইকালৰ অসমীয়া জাতীয় জীৱনৰ দলিল স্বৰূপ বুলিও অভিহিত কৰা হয়। গল্পকাৰসকলৰ গভীৰ সমাজ চেতনাবোধ থকা বাবে সমাজ-সংস্কৃতিৰ ফলস্বৰূপে আৱাহন যুগৰ গল্পসমূহত সেইকালৰ সামাজিক সমস্যা আৰু সামাজিক দ্বন্দৰ খণ্ড-চিত্ৰ গল্পকাৰসকলে যথাৰ্থভাৱে অংকন কৰিছিল। অৱশ্যে এইটো ঠিক যে জাতীয় জীৱনৰ সঠিক পথৰ সন্ধান সেই গল্পসমূহে দিব পৰা নাছিল। কিন্তু আধুনিক চিন্তাধাৰা আৰু ধ্যান-ধাৰণাৰ টোৰে সমাজ জীৱনত যে আলোড়ন সৃষ্টি কৰিব পাৰিছিল সেইকথা ঐতিহাসিকভাৱে সত্য।

**(৩) যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ (১৯৪০–১৯৭০) ঃ**

আৱাহন স্তৰৰ পটভূমিতে গঢ় লৈ উঠিছিল যদিও অসমীয়া চুটিগল্পৰ বুৰঞ্জীত 'যুদ্ধোত্তৰ যুগ' বা 'ৰামধেনু যুগ'টোৱে কিছু স্বকীয় বৈশিষ্ট্য বহন কৰিছে।

দ্বিতীয় বিশ্ব যুদ্ধ আৰু সেইসময়ত শক্তিশালী ৰূপ ধাৰণ কৰা ভাৰতৰ স্বাধীনতা আন্দোলনে জাতীয় জীৱন জোকাৰি যোৱাৰ ফলত অসমলৈও নানা পৰিৱৰ্তন আহিবলৈ ধৰে। বিশেষকৈ অসমৰ সামাজিক আৰু বৌদ্ধিক জীৱনক স্পৰ্শ কৰি গ'ল। দ্বিতীয় মহাযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা আন্দোলন সৃষ্টি কৰা সংকট, সমস্যা আৰু ঐতিহাসিক ঘটনাই জাতীয় জীৱনত এটা ডাঙৰ পৰিৰ্ৱতনৰ সূচনা কৰিলে। এই পৰিৱৰ্তনে অসমীয়া গল্প সাহিত্যতো প্ৰভাৱ বিস্তাৰ কৰে।

## ১.৪ সাৰাংশ ঃ

- উপন্যাস আৰু চুটিগল্প প্ৰায় সমধৰ্মী কথা-সাহিত্য। কাহিনী, চৰিত্ৰ, নাট্যধৰ্মিতা, পৰিস্থিতি আৰু লেখকৰ ভাৱ-দৰ্শন দুয়োবিধ সাহিত্যৰে সাধাৰণ লক্ষণ।
- বাস্তৱ অভিজ্ঞতাৰ উপাদানেৰে নিৰ্মিত কাল্পনিক জীৱনৰ ধাৰাবাহিক ঘটনাৰাজি বৈচিত্ৰ্যময় আৰু প্ৰাণময় ৰূপত প্ৰকাশ কৰা সাহিত্য-কলাবিধেই হৈছে উপন্যাস। ই এবিধ সৃষ্টিমূলক সাহিত্য কৰ্ম।
- পাশ্চাত্য দেশৰ বৌদ্ধিক চিন্তা-ভাৱনাৰ ফলতেই উপন্যাস আৰু চুটিগল্পৰ সৃষ্টি হৈছিল। আধুনিক যুগত ইয়াৰ আদৰ্শতেই অসমীয়া চুটি গল্প আৰু উপন্যাসৰ উদ্ভৱ আৰু বিকাশ ঘটিছিল।
- অসমীয়া উপন্যাসক পাশ্চাত্য অধ্যয়নৰ প্ৰত্যক্ষ ফল বুলি কোৱা হয় যদিও ইয়াত বংগীয় সাহিত্যৰ প্ৰভাৱো পৰিলক্ষিত হয়।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ স□াদনাত প্ৰকাশ পোৱা ‘ৰামধেনু’ আলোচনীয়ে এই শ্ৰেণীৰ চুটি গল্পৰ ধাৰাটোৰ গুৰি ধৰিছিল। ৰামধেনু ১৯৫২ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৬৩ চনৰ মে মাহলৈকে চলিছিল— এইছোৱা সময়কেই ‘ৰামধেনু যুগ’ বুলি চিহ্নিত কৰা হৈছে।

নানা সামাজিক দ্বন্দ্বৰে পৰিপূৰ্ণ তথা ন ন সমস্যা জৰ্জৰিত সমাজখনৰ প্ৰতি দায়বদ্ধ গল্পকাৰসকলে ‘ৰামধেনু’ আলোচনীৰ যোগেদি নতুন নতুন চিন্তাধাৰাৰ উন্মেষ ঘটাইছিল। ‘আবাহন যুগ’ৰ প্ৰতিষ্ঠিত গল্পকাৰসকলে ‘ৰামধেনু যুগ’তো গল্প ৰচনা কৰি আছিল যদিও এছাম নতুন প্ৰতিভাশালী গল্পকাৰেও সেই কালত আত্মপ্ৰকাশ কৰিছিল। তেওঁলোকে নতুন ভাৰ-বস্তু, নতুন দৃষ্টিভংগী আৰু নতুন কলা-কৌশল প্ৰয়োগেৰে অসমীয়া চুটিগল্পৰ মৌলিক পৰিবৰ্তন সাধিছিল। সমকালীন সমাজৰ পৰিবৰ্তিত শৈক্ষিক, আৰ্থসামাজিক আৰু সাংস্কৃতিক দৃশ্যপটৰ প্ৰতিফলন এই যুগৰ গল্পত লক্ষ্য কৰা যায়। মুঠতে অসমৰ ৰাজনৈতিক দৃশ্যপট সলনি হোৱাৰ লগে লগে সামগ্ৰিকভাৱে মূল্যবোধৰো পৰিবৰ্তন হ’বলৈ ধৰিলে। তাৰ নিদৰ্শন বিৰিঙি উঠিল যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটি গল্পৰ মাজেদি। কাৰ্লমাৰ্ক্সৰ ‘অৰ্থনৈতিক বিশ্লেষণ’ আৰু ফ্ৰয়দৰ ‘চাইকো এনালেছিছ’ৰ প্ৰভাৱো সেইকালৰ চুটিগল্পসমূহত পৰিছিল।

চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, প্ৰফুল্ল দত্ত গোস্বামী, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, ভৱেন্দ্ৰনাথ শইকীয়া, হোমেন বৰগোহাঞি, নিৰুপমা বৰগোহাঞি, লক্ষ্মীনন্দৰ বৰা, মামনি ৰয়চম গোস্বামী, শীলভদ্ৰ শ্বাহ, মেদিনী চৌধুৰী, মহীচন্দ্ৰ বৰা, লক্ষ্মীনাথ ফুকন, ৰাধিকা গোস্বামী, ৰোহিনী কুমাৰ কাকতি, চন্দ্ৰ প্ৰসাদ শইকীয়া, পদ্ম বৰকটকী, স্নেহদেৱী আদি যুদ্ধোত্তৰ যুগৰ উল্লেখযোগ্য গল্পকাৰষ

উক্ত গল্পকাৰসকলৰ বাহিৰেও অন্যান্য ভালেমান গল্পকাৰে নতুন নতুন বিষয়-বস্তু আৰু অংগিকাৰ বৈশিষ্ট্যৰে অনেক গল্প ৰচনা কৰিছে। নগেন শইকীয়া, অৰুণ গোস্বামী, চাইদুল ইছ্‌লাম, কুমুদ গোস্বামী, প্ৰণৱজ্যোতি ডেকা, নিৰোদ চৌধুৰী, পূৰ্ব শৰ্মা, চাইদুল ইছ্‌লাম, অতুলানন্দ গোস্বামী, মহেন্দ্ৰ বৰঠাকুৰ, নীলিমা শৰ্মা আদি এইসকলৰ ভিতৰত অন্যতম।

এই গল্পকাৰসকলৰ হাতত ‘যুদ্ধোত্তৰ যুগ’ বা ‘ৰামধেনু যুগ’ত অসমীয়া চুটিগল্পই বহু দিশ সামৰি সমৃদ্ধিশালী ৰূপ পাবলৈ সক্ষম হ’ল। পাশ্চাত্য

## খণ্ড ৫

# গোট ২ ঃ নাটক, একাংকিকা, শিশু-সাহিত্য

**গঠন ঃ**

**২.০ উে শ্য**

**২.১ প্রস্তাৱনা**

**২.২ অসমীয়া নাট্য সাহিত্য**

২.২.১ অসমীয়া নাটকৰ ইতিহাস

২.২.২ আধুনিক অসমীয়া নাটকৰ বিকাশৰ ধাৰা

২.২.৩ আধুনিক অসমীয়া নাটক আৰু পাশ্চাত্য নাটক

**২.৩ অসমীয়া একাংক নাট**

**২.৪ অসমীয়া শিশু সাহিত্য**

২.৪.১ অসমীয়া শিশু সাহিত্যৰ বিষয় বৈচিত্র্য

২.৪.২ অসমীয়া শিশু সাহিত্যৰ উত্তৰণত আলোচনীৰ ভূমিকা

**২.৫ সাৰাংশ**

## ২.০ উে শ্য

এই গোটটি অধ্যয়ন কৰিলে তোমালোকে–

- অসমীয়া নাট্যসাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ স□র্কে জানিব পাৰিবা।
- আধুনিক অসমীয়া নাটকৰ বিষয়বস্তু আৰু নাট্যকাৰসকলৰ বিষয়ে কিছু কথা জানিব পাৰিবা।
- একাংকিকা নাট, ইয়াৰ বৈশিষ্ট্য আৰু অসমীয়া একাংকিকা নাট স□র্কে আলোচনা কৰিব পাৰিবা।
- অসমীয়া শিশু সাহিত্যৰ উদ্ভৱ, উত্তৰণ আৰু ইয়াৰ বিষয়বস্তু স□র্কে কিছু কথা জানিব পাৰিবা।

(৩) কেলিগোপাল, (৪) ৰুক্মিণী হৰণ, (৫) পাৰিজাত হৰণ আৰু (৬) ৰাম বিজয় নাট। এই ছখন নাটৰ বাহিৰেও 'জন্মযাত্ৰা' নামৰ এখন নাট ৰচনা কৰিছিল বুলি ৰামচৰণ ঠাকুৰৰ চৰিত-পুথিত পোৱা যায়।

শংকৰদেৱৰ নাটকেইখনিৰ মাজেদি অংকীয়া নাট্যশৈলী গঢ় লৈ উঠিছে। সূত্ৰধাৰৰ ভূমিকা, গীত, শ্লোক আৰু পয়াৰৰ প্ৰাচুৰ্য, ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ, লয়যুক্ত গদ্য আৰু সংগীত-নৃত্যৰে এই নাটবোৰ ভৰপূৰ।

মাধৱদেৱে তেওঁৰ গুৰু শংকৰদেৱক অনুসৰণ কৰি ছখনি নাট ৰচনা কৰিছিল বুলি কোৱা হয়। কিন্তু পাছলৈ তেখেতৰ নামত কেইবাখনো নাট পোৱা হয়। 'চোৰধৰা', 'পিপৰা-গুচুৱা', 'ভোজন বেহাৰ', 'অৰ্জুন ভঞ্জন' আৰু 'ভূমি-লেটোৱা' এই পাঁচখন নাট যে মাধৱদেৱৰ ৰচনা সেই বিষয়ত পণ্ডিত-সমালোচকৰ মাজত কোনো মতভেদ নাই। বাকী ষষ্ঠসংখ্যক নাটখনি স্থিৰ কৰিব পৰা হোৱা নাই। কালিৰাম মেধি স□াদিত 'অঙ্কাৱলী'ত মাধৱদেৱৰ ভণিতা থকা নাটকেইখন হ'ল– 'কোটোৰা-খেলা', 'ব্ৰহ্মমোহন', 'ভূষণ-হৰণ' আৰু 'ৰাস-ঝুমুৰা'। এই সন্দেহযুক্ত নাটকেইখনিৰ ভিতৰত 'ব্ৰহ্মামোহন' আৰু 'ভুষণ-হৰণ'ক মাধৱদেৱৰ ৰচনা বুলি ভবাৰ কিছু যুক্তি আছে। মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন'ত শংকৰদেৱৰ নাট্যশৈলী দেখা পোৱা যায়। আনহাতে এই নাটখনক বাদি দি বাকী কেইখনক 'ঝুমুৰা' আখ্যা দিয়া হৈছে। মাধৱদেৱৰ নাট কেইখনৰ প্ৰধান নায়ক শিশু বা কিশোৰ কৃষ্ণ। আন আন চৰিত্ৰৰ ভিতৰত যশোদাই প্ৰধান। বালক কৃষ্ণৰ মানবীয় আৰু ঐশী –এই দুই প্ৰকাৰৰ ব্যক্তিত্ব ফুটাই তুলিবলৈ মাধৱদেৱ সমৰ্থ হৈছে। নাটকেইখনিত বাৎসল্য ৰস আৰু লঘু বিষয়বস্তুৰ প্ৰয়োগেৰে হাস্যৰসাত্মক হৈ পৰিছে। এনেবোৰ বিশেষত্বৰ মাজতেই মাধৱদেৱৰ 'ঝুমুৰা' কেইখনিৰ সৌন্দৰ্য দেখা পোৱা যায়।

শংকৰী যুগৰ অংকীয়া নাট বা প্ৰাচীন সংস্কৃত নাটকৰ আদৰ্শৰ লগত নতুন যুগৰ নাট্য সাহিত্যৰ আকৃতিগত আৰু প্ৰকৃতিগত পাৰ্থক্য প্ৰকট হৈ পৰিল। উে শ্য, কলা-কৌশল আৰু বিষয়বস্তুৰ বেলিকা এই পাৰ্থক্য লক্ষ্য কৰিব পাৰি। অংকীয়া নাটত থকা ধৰ্মপ্ৰচাৰৰ লেখিয়া উে শ্য ইয়াত গ্ৰহণ কৰা হোৱা নাছিল। নাট্যকাৰৰ অভিপ্ৰেত ভাৱ-বস্তু বা জীৱন দৰ্শন কাহিনীভাগৰ অন্তৰালতহে নিহিত হৈ থাকে।

### ২.২.২ আধুনিক অসমীয়া নাটকৰ বিকাশৰ ধাৰা ঃ

১৮২৬ চনত ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ইংৰাজৰ অধীনলৈ অহাৰ পাছত পাশ্চাত্য দেশৰ কলা-সাহিত্যই অসমতো প্ৰভাৱ বিস্তাৰ কৰিলে। ক্ৰমান্বয়ে পাশ্চাত্য চিন্তা-চৰ্চা আৰু ৰীতি-নীতিৰ প্ৰভাৱে অসমীয়া নাট্য সাহিত্যৰ গতিপথো সলনি কৰি দিলে। বিশেষকৈ নাটকৰ বিষয়বস্তু, আংগিক আৰু প্ৰকাৰৰ পৰিৱৰ্তনে নতুনত্বৰ সূচনা কৰিলে। অংকীয়া নাটৰ 'ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয়'ৰ

অংকীয়া ভাওনাৰে সৈতে আজীৱন পৰিচিত দৰ্শকসমূদায়ে পৌৰাণিক নাটকৰ প্ৰতি বিশেষ আগ্ৰহ আৰু সঁহাৰি দেখুৱাইছিল। ৰমাকান্ত চৌধুৰীৰ সীতাহৰণৰ পৰা আৰ কৰি এই ধাৰাৰ নাটকসমূহ কম বেছি পৰিমাণে বিংশ শতিকাৰ চতুৰ্থ দশকলৈকে চলি থাকে। দ্বিতীয় মহাযুদ্ধৰ পিচৰপৰা নাট্য সাহিত্যতো পৰিৱৰ্তনে দেখা দিলে। অতীতৰ শৌৰ্য-বীৰ্য আৰু গৌৰৱৰ ইতিহাস সোঁৱৰাই দি দৰ্শক জনসাধাৰণৰ দেশপ্ৰেম আৰু জাতীয় চেতনা জগাই তোলাৰ বাবে সেইখিনি সময়তে সৃষ্টি হ'ল ঐতিহাসিক বা বুৰঞ্জীমূলক নাটকৰ চৰ্চা। কুৰি শতিকাৰ পঞ্চম দশকৰ পৰা সামাজিক নাটকৰ জয়যাত্ৰা আৰ হ'ল। এই ধাৰাৰ নাটকৰ প্ৰধান বৈশিষ্ট্য হৈছে–

- বাস্তৱ ভিত্তিক সমসাময়িক সমস্যাৰ কলাত্মক ৰূপায়ণ,
- বিষয় বৈচিত্ৰ্য
- নতুন উপস্থাপন শৈলীৰ প্ৰয়োগ
- নতুন কলা-কৌশলৰ প্ৰয়োগ

চতুৰ্থ দশকত গীতিনাট্যৰ কিছু প্ৰচলন ঘটিছিল যদিও পৰৱৰ্তীকালত ইয়াৰ জনপ্ৰিয়তা স্তিমিত হৈ পৰিল। ১৯৪৮ চনত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰে পৰা ধাৰাবাহিকভাৱে 'অনাতাঁৰ নাট'ৰ সৃষ্টি হ'বলৈ ধৰিলে। অনাতাঁৰ যোগে প্ৰচাৰিত প্ৰথমখন নাট আছিল– 'ধৰালৈ যেতিয়া নামিব শৰৎ'। নাট্যকাৰ আছিল সত্য প্ৰসাদ বৰুৱা।

আধুনিক নাটকৰ কেইটামান লক্ষণ তলত থোৰতে উনুকিওৱা হৈছে–

- বাস্তৱমুখিতা আধুনিক নাটকৰ অন্যতম লক্ষণ। প্ৰাচীন নাটকৰ কাব্যধৰ্মিতা আধুনিক নাটকত বাস্তৱিকতে বিৰল।
- নাটকীয় দ্বন্দ্ব বা সংঘাত সৃষ্টিতহে ইয়াত অধিক গুৰুত্ব আৰোপ কৰা হয়।
- প্ৰাচীন নাটকৰ অভিজাত শ্ৰেণীৰ বিষয়বস্তু অথবা অভিজাত নায়ক-নায়িকাৰ বিপৰীতে আধুনিক নাটকে সমাজৰ সকলো শ্ৰেণীৰ লোককে সামৰি লৈছে।
- 'সমাজৰ অনুকৃতি আৰু ৰূপায়ণেই আধুনিক নাটৰ প্ৰধান উ শ্য হোৱা কাৰণে মানৱ চৰিত্ৰৰ বিভিন্ন অভিব্যক্তি নাটকৰ প্ৰধান প্ৰদৰ্শনীয় বস্তু ৰূপে গণ্য কৰা হয়।'
- একোখন সমাজৰ স্থিতাৱস্থা আৰু সামাজিক সমস্যাৰ ছবি আধুনিক নাটকত কলাত্মক ৰূপত উপস্থাপন কৰা হয়।
- পৌৰাণিক, ঐতিহাসিক, সামাজিক, ৰাজনৈতিক, ধাৰ্মিক, সাংস্কৃতিক,

দৃশ্যাংশ নহয়। বিভিন্ন নাটকীয় ৰীতিৰ দ্বাৰা এটি সামগ্ৰিক চিত্ৰ দাঙি ধৰা একাংকিকা নাটসমূহে এটা সমস্যা উপস্থাপন কৰে আৰু দ্ৰুত গতিৰে তাক শীৰ্ষবিন্দুলৈ আগবঢ়াই নি উপসংহাৰত এটা সমাধানৰ ধাৰণা দৰ্শকলৈ আগবঢ়ায়।

বিশিষ্ট সাহিত্যিক লক্ষ্মীধৰ শৰ্মাই 'প্ৰজাপতিৰ ভুল' ৰচনা কৰি অসমীয়া একাংকিকা নাটৰ শুভ সূচনা কৰে। তেওঁৰ আন এখন একাংকিকা হ'ল 'দেশৰ কথা'। 'এক অংকীয়া নাটমালা' আৰু 'এক অংকীয়া নাটৰ শৰাই' নামৰ দুখন নাট্য সংকলনত ড° হৰিচন্দ্ৰ ভট্টাচাৰ্যৰ কেইবাখনো একাংকিকা নাট সন্নিৱিষ্ট হৈছে। তদুপৰি সত্যপ্ৰসাদ বৰুৱাৰ 'আনাৰকলি' আৰু 'কুনাল কাঞ্চন'; বীণা বৰুৱাৰ 'এবেলাৰ নাট' আৰু প্ৰবীন ফুকনৰ 'ত্ৰিৰংগ' আদি মঞ্চসফল একাংক নাটে অসমীয়া নাট্য সাহিত্যত বৈচিত্ৰ্য ৰচনা কৰিছে। বৰ্তমান সময়লৈকে একাংক নাটে অন্যান্য নাটৰ সমানে জনপ্ৰিয়তা লাভ কৰি থকাটো বিশেষ লক্ষ্য কৰিবলগীয়া কথা।

**আত্মমূল্যায়ন ১ ঃ**

**আধুনিক অসমীয়া নাটকৰ কেইটামান বিশেষত্ব দাঙি ধৰা।**

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

## ২.৪.১ অসমীয়া শিশু সাহিত্যৰ বিষয় বৈচিত্ৰ্য

কবিতা, কাহিনী, নাটিকা, জীৱনী আদিৰে অসমীয়া শিশু-সাহিত্য স াৰ বিবিধ বৰ্ণ বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। নীতি-শিক্ষা, স্বদেশপ্ৰীতি, নিসৰ্গপ্ৰীতি, মানৱপ্ৰীতি, আত্মীয়তা, ৰসিকতা আদি বিচিত্ৰ উপাদানেৰে অসমীয়া শিশু-সাহিত্যৰ বিষয়-বৈচিত্ৰ গঢ় লৈ উঠিছে।

অসমীয়া শিশু-সাহিত্য স াৰত 'কবিতা' বা 'পদ্য' আৰু গীতসমূহৰ গুৰুত্বপূৰ্ণ স্থান আছে। সংকলনটিত গ্ৰন্থৰূপৰ উপৰিও বিভিন্ন আলোচনী, বাতৰি কাকতৰ শিশু শিতান, পঢ়াশলীয়া পাঠ্যপুথি আদিত এই গীত, কবিতাবোৰ পৰিব্যাপ্ত হৈ আছে। নৈতিকতা, স্বদেশহিতৈষিতা, আত্মীয়তা, মানৱীয়তা আদি ৰুচি সন্মত বিষয়-বৈচিত্ৰ্য এই শ্ৰেণীৰ ৰচনাৰ ঘাই উপজীৱ্য।

নীতি-শিক্ষামূলক অজস্ৰ সাধুকথা, কল্পকাহিনী, গল্প আদিৰে অসমীয়া শিশু সাহিত্যৰ ভঁৰাল ঠাহ খাই আছে বুলিয়েই ক'ব পাৰি। পুৰণি মৌখিক সাধুকথাবোৰ আৰু সেইবোৰৰ লিখিত ৰূপৰ সংকলনসমূহ এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। অসমৰ জাতি জনজাতিৰ মাজত প্ৰচলিত আকৰ্ষণীয় সাধুকথা, কিংবদন্তি আৰু ঐতিহাসিক কথা-কাহিনী আদিৰ লগতে দেশ-বিদেশৰ অলেখ ৰূপকথা আৰু নীতিকথাও শিশু-সাহিত্যৰ ৰূপত অসমীয়া ভাষাত প্ৰকাশ পাইছে। ৰামায়ণ, মহাভাৰত, পুৰাণ, জাতক, পঞ্চতন্ত্ৰ, হিতোপদেশ, কথাসৰিৎসাগৰ আদিৰ নীতিশিক্ষাৰ উপাদানসমূহ শিশু উপযোগীকৈ অসমীয়া সাহিত্যত স্থান পাই আহিছে। অসমীয়া শিশু সাহিত্যৰ ভঁৰালত ভালেমান অনুবাদমূলক গ্ৰন্থই ঠাই পাইছে। সেইসমূহৰ ভিতৰত ৰোমেশ্বৰ শৰ্মাৰ 'ঈছপৰ উপকথা' (১৯১৪), বসন্ত বৰুৱাৰ 'ৰেগনাৰৰ সাধু'; হৰি প্ৰসাদ বৰুৱাৰ 'মইনা' (১৯২৬); জ্ঞানদাভিৰাম বৰুৱাৰ দদাইৰ পঁজা (১৯৩০), 'ভেনিচৰ সাউদ (১৯১২) আৰু পঞ্চৰত্ন; বেণুধৰ শৰ্মা আৰু গিৰীন্দ্ৰ চন্দ্ৰ নাথ অনুদিত 'ৰবিন্সন ক্ৰুছ' আদিয়েই প্ৰধান।

শিশু উপযোগী মৌলিক গল্প-উপন্যাস অসমীয়া ভাষাত অতি কমসংখ্যকহে প্ৰকাশিত হৈছে। পৰৱৰ্তীকালত হৰগোবিন্দ বৰুৱাৰ 'পাতাল পুৰি', নৰকান্ত বৰুৱাৰ 'শিয়ালী পালেগৈ ৰতনপুৰ', 'আখৰৰ জখলা'; যোগেন শৰ্মাৰ 'সূৰুয উঠা দেশৰ পিনে', 'জল কুঁৱৰীৰ দেশত'; শুচিব্ৰতা ৰায়চৌধুৰীৰ 'সুন্দৰৰ দেশ', প্ৰেমনাৰায়ণ দত্তৰ 'পোহৰৰ বাটত'; ধৰ্মেশ্বৰ কটকীৰ 'সপোন কুঁৱৰী'; বিষ্ণু প্ৰিয়া দেৱীৰ 'সাধুকথা' আৰু লীলা গগৈৰ 'অনুপম কোঁৱৰৰ সাধু' আদি উপন্যাসধৰ্মী কাহিনীৰ নিদৰ্শন। প্ৰেমধৰ দত্তৰ 'শিয়ালৰ শিং' আৰু অনন্ত দেৱশৰ্মাৰ 'লুচিপালন' অসমীয়া শিশু সাহিত্যৰ অনুপম নিদৰ্শন। এইসমূহ চল্লিছৰ দশকৰ আগৰ-পিচৰ ৰচনা। কল্প কাহিনীসমূহৰ ভিতৰত 'ভৌতিক কাহিনী'ৰ সংখ্যাই অধিক।

অসমীয়া শিশু সাহিত্যত নাটক-নাটিকাৰ সংখ্যা নিচেই তাকৰীয়া। সংগীত সাধক মুক্তি নাথ বৰদলৈৰ ভক্ত প্ৰহ্লাদ (১৯৪৯) আৰু কীৰ্তিনাথ হাজৰিকাৰ 'ফুটুকাৰ ফেন' (১৯৬৫) দুখন মান স□ন্ন উল্লেখযোগ্য শিশুনাট। পঢ়াশালীয়া

অসমীয়া শিশু-সাহিত্য উত্তৰণত অসমীয়া শিশু আলোচনীসমূহেও গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে।

১৮৮৬ চনত কৰুণাভিৰাম বৰুৱাৰ স□াদনাত প্ৰকাশ পোৱা প্ৰথম অসমীয়া শিশু আলোচনী 'ল'ৰা বন্ধু'ৰ পৰাই অসমত শিশু আলোচনীৰ ইতিহাস আৰ  হৈছে। তাৰ পিছৰ কালছোৱাত ১৯৪০ চনলৈকে প্ৰকাশ পোৱা 'অকণ' (১৯১৫), 'মইনা' (১৯২৩), 'অৰুণ' (১৯২৬), 'আমাৰ দেশ' (১৯৩১), 'পখিলা' (১৯৩৩), 'অকণ' (১৯৩৫) আৰু 'পাৰিজাত' (১৯৪০), আদি শিশু আলোচনীসমূহে শিশু-সাহিত্যৰ প্ৰথমস্তৰৰ ইতিহাস চহকী কৰিছে। দীননাথ শৰ্মা সŽ াদিত 'পাৰিজাত' আলোচনীখনে সাহিত্যৰ ন-ন স  াৰলৈ আত্ম প্ৰকাশ কৰিছিল। সাধুকথা, গল্প, কাহিনী, ভৌতিক কাহিনী, জানিবলগীয়া বিশেষ কথা, পদ্য, কবিতা আদিৰে 'পাৰিজাত' আলোচনীখন সৰ্বাংগ সুন্দৰ হৈ ওলাইছিল। পৰৱৰ্তী সময়ত বিৰিঞ্চি কুমাৰ বৰুৱাৰ সŽ াদনাত প্ৰকাশ পোৱা 'ৰংঘৰ' (১৯৪৮) আৰু ইব্ৰাহিম আলীৰ স□াদনাত প্ৰকাশ পোৱা 'কাঁচিজোন' (১৯৫১) নামৰ আলোচনী দুখনো আকৰ্ষণীয় শিশু-সাহিত্যৰে উপচি আছিল। 'দীপক' (১৯৫৪) আৰু 'জোনবাই' (১৯৬১) আলোচনীয়ে শিক্ষাপ্ৰদ আৰু আনন্দপ্ৰদ সাহিত্য স  াৰেৰে শিশু সাহিত্যৰ ভালেখিনি অভাৱ পূৰণ কৰিছিল। দৰাচলতে ১৯৫০ চনৰ পিছৰ পৰাহে অসমীয়া শিশু আলোচনীৰ উত্তৰণ ত্বৰান্বিত হয়। ভালেমান শিশু-আলোচনীৰ মাজত দীৰ্ঘদিন বৰ্তি থকা 'সঁফুৰা' আৰু 'মৌচাক' নামৰ আলোচনী দুখনে অসমীয়া শিশু-সাহিত্যৰ উত্তৰণৰ বেলিকা যোগাই অহা আন্তৰিক অৱদানৰ কথা সৰ্বজন বিদিত। ভূগোল, বুৰঞ্জী, বিজ্ঞান, প্ৰযুক্তি, সাহিত্য, সংস্কৃতি, যাদু, ধেমালি আদি বিবিধ বিষয়বস্তুৰ আধাৰত গল্প, কবিতা, প্ৰবন্ধ, ৰচনা আদিৰ জৰিয়তে এই আলোচনী দুখনে শিশুসমাজৰ মানসিক আৰু বৌদ্ধিক উত্তৰণত হাত উজান দি আহিছে।

বিজ্ঞান জেউতি, দৃষ্টি, বিজ্ঞান-সঁফুৰা, নতুন আবিস্কাৰ, জ্ঞান-বিজ্ঞান, জিজ্ঞাস, ছাত্ৰ-সাৰথি আদি আলোচনীয়ে কৈশোৰ গৰকা ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যায়তনিক প্ৰয়োজন পূৰণ কৰাত বিশেষ অৰিহণা যোগাইছে। গীত, কবিতা, কথা, কাহিনী গল্প, উপন্যাস, নাটক, জীৱনী আদিৰ লগতে জ্ঞান, বিজ্ঞান আদি বিষয়তো ভিন্ ভিন্ চিন্তা-ভাৱনাৰে ন-ন সাহিত্য-কৰ্মৰ প্ৰকাশ ঘটিছে। বৰ্ণাঢ্য সাহিত্য সৃষ্টিৰ লগতে ন-ন লেখক আৰু শিশু-লেখক সৃষ্টি কৰাত অসমীয়া শিশু-আলোচনীসমূহৰ অৱদান লেখত ল'বলগীয়া।

## ২.৫ সাৰাংশ

- আধুনিক শিক্ষাৰে শিক্ষিত জোনাকী যুগৰ নাট্যপ্ৰেমী ডেকাসকলে অসমীয়া নাটকৰ অভাৱ পূৰণ কৰিবলৈ আৰু বহু প্ৰচলিত বাংলা নাটকৰ প্ৰভাৱ দূৰ কৰিবলৈ অসমীয়া ভাষাত নাটক ৰচনাৰ উদ্যোগ লৈছিল।

সৃষ্টিতহে ইয়াত অধিক গুৰুত্ব দিয়া হয়; (৩) প্ৰাচীন নাটকৰ অভিজাত শ্ৰেণীৰ বিষয়বস্তু অথবা অভিজাত শ্ৰেণীৰ বিষয়বস্তু অথবা অভিজাত শ্ৰেণীৰ নায়ক-নায়িকাৰ বিপৰীতে সমাজৰ সকলো শ্ৰেণীৰ লোককে আধুনিক নাটকে সামৰি লয়; (৪) সমাজৰ অনুকৃতি আৰু ৰূপায়ণেই আধুনিক নাটকৰ প্ৰধান উ শ্য হোৱা বাবে মানৱ চৰিত্ৰৰ বিভিন্ন অভিব্যক্তি নাটকৰ প্ৰধান প্ৰদৰ্শনীয় বস্তু ৰূপে গণ্য কৰা হয়; (৫) একোখন সমাজৰ স্থিতাৱস্থা আৰু সামাজিক সমস্যাৰ বাস্তৱ ছবি আধুনিক নাটকত কলাত্মক ৰূপত উপস্থাপন কৰা হয়; (৬) পৌৰাণিক, ঐতিহাসিক, সামাজিক, ৰাজনৈতিক, ধাৰ্মিক, সাংস্কৃতিক, অৰ্থনৈতিক, মনস্তাত্ত্বিক আদি বিভিন্ন বিষয়ৰ পৰিসীমাত থকা যিকোনো কাহিনী বা ঘটনাই আধুনিক নাটকৰ ঘাই উপজীব্য হ'ব পাৰে।

**আত্মমূল্যায়ন ২ ঃ**

শিশুমনৰ সৰল চিন্তা-ভাৱনাৰ অনুকূলে প্ৰধানকৈ শিশুৰ উ শ্যে ৰচিত সাহিত্যই হৈছে শিশু-সাহিত্য। সঁচা-মিছা, যুক্তি-অযুক্তি, লৌকিক-অলৌকিক, বাস্তৱ-কল্পনাআদিৰ কোনো ভেদাভেদ শিশু মনস্তত্ত্বত নাথাকে। তেনেবোৰ বিষয়বস্তুৱেই শিশু-সাহিত্যৰ মূল উপজীব্য। অৱশ্যে শিশুৰ বৌদ্ধিক বিকাসৰ উ শ্যেৰেও শিশু উপযোগী সাহিত্য ৰচিত হৈছে।

## অনুশীলনী - ২

**(১) চমু উত্তৰ দিয়াঁ–**

(ক) নাটক কাক বোলে?

(খ) একাংকিকা নাটৰ এটা সংজ্ঞা দাঙি ধৰা।

(গ) শিশু-সাহিত্য বুলিলে কি বুজা?

(ঘ) প্ৰথম অসমীয়া শিশু-আলোচনীখন কোন চনত কি নামেৰে কাৰ স□াদনাত প্ৰকাশ পাইছিল?

(২) 'অসমীয়া নাট্য সাহিত্য' স□ৰ্কে বহলাই আলোচনা কৰাঁ।